# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-08-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিহাৰ আৰু পশ্চিমবংগত ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। নিৰ্বাচন আয়োগে উপ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ বাবে দুগৰাকী পৰ্যবেক্ষক নিয়োগ কৰিছে।

৩। ভাৰতীয় ৰে'লৱে উৎসৱৰ বতৰত ভক্ত আৰু যাত্ৰীসকলৰ বাবে আৰামদায়ক আৰু সুচল যাত্ৰা সুনিশ্চিত কৰাৰ বাবে ৩৮০ খন গণপতি বিশেষ ৰে'লগাড়ী চলাচল কৰোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৪। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই ২৯ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসত এঘণ্টা শাৰীৰিক সুস্থতা আৰু খেলৰ নামত উৎসৰ্গা কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

*আৰু*

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিহাৰ আৰু পশ্চিমবংগলৈ যাব। বিহাৰৰ গয়াত শ্ৰীমোদীয়ে দিনৰ প্ৰায় ১১ বজাত ১৩ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে পতাকা জোকাৰি দুখন ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব আৰু সমাৰেশত ভাষণ দিব। ইয়াৰ পাছত শ্ৰীমোদীয়ে গংগা নৈৰ ওপৰত নিৰ্মাণ কৰা অ'ন্তা-ছিমৰীয়া দলং প্ৰকল্প মুকলি কৰিব। এই দলংখনে পাটনাৰ মোকামা আৰু বেগুচৰাইৰ মাজত পোনপটীয়া যোগাযোগ সুনিশ্চিত কৰিব। নতুন দলংখনে উত্তৰ বিহাৰ আৰু দক্ষিণ বিহাৰৰ মাজত  বাহনেৰে যাত্ৰা কৰা সকলৰ বাবে দূৰত্ব ১০০ কিলোমিটাৰৰ অধিক হ্ৰাস কৰিব। ভ্ৰমণ কালত প্ৰধানমন্ত্ৰীয়ে ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ভক্তিয়াৰপুৰৰ পৰা মোকমা সংযোগী চাৰিটা লেনযুক্ত পথচোৱাও মুকলি কৰিব। তেওঁ লগতে বক্সাৰ তাপবিদ্যুৎ প্ৰকল্পও মুকলি কৰিব। এই প্ৰকল্পই বিদ্যুতৰ উৎপাদন সামৰ্থ বৃদ্ধি কৰিব, শক্তি সুৰক্ষা উন্নত কৰিব আৰু অঞ্চলটোৰ বৰ্ধিত বিদ্যুৎ চাহিদা পূৰণত সহায় কৰিব। পাছত শ্ৰীমোদীয়ে মুজফ্ফৰপুৰত হোমিভাবা কেন্সাৰ হাস্পতাল আৰু গৱেষণা কেন্দ্ৰ মুকলি কৰিব। এই অত্যাধুনিক চিকিৎসালয়খনে বিহাৰ আৰু চুবুৰীয়া ৰাজ্যসমূহৰ ৰোগীসকললৈ অত্যাধুনিক আৰু বহনসাধ্য কৰ্কট পৰিচৰ্যা আগবঢ়াব। ভ্ৰমণকালত প্ৰধানন্ত্ৰীয়ে নমামী গংগে অভিযানৰ অধীনত মুংগেৰত নিৰ্মাণ কৰা আৱৰ্জনা পৰিশোধন প্ৰকল্প আৰু পয় প্ৰণালী নেটৱৰ্ক মুকলি কৰিব। ইয়াৰ ফলত গংগা নৈৰ প্ৰদূষণ হ্ৰাস পাব আৰু অঞ্চলটোৰ অনাময় সুবিধা উন্নত হ'ব।

প্ৰধানমন্ত্ৰীয়ে লগতে গয়া আৰু দিল্লীৰ মাজত চলাচল কৰিবলগীয়া অমৃত ভাৰত এক্সপ্ৰেছ তথা বৈশালি কোডৰমাৰ মাজৰ বুদ্ধ চাৰ্কিট ৰে'লগাড়ী দুখনৰো যাত্ৰাৰ শুভাৰম্ভ কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে একাংশ হিতাধিকাৰীক প্ৰতীকী ৰূপত চাবি প্ৰদানেৰে প্ৰধানমন্ত্ৰী নগৰীয়া আৱাস যোজনাৰ ৪ হাজাৰ ২৬০ গৰাকী আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ ১২ হাজাৰ হিতাধিকাৰীৰ গৃহ প্ৰৱেশ অনুষ্ঠান সম্পন্ন কৰা হ'ব।

পশ্চিমবংগত প্ৰধানমন্ত্ৰীয়ে কলকাতা মেট্ৰ'ৰ নতুনকৈ নিৰ্মাণ কৰা দুটা খণ্ডত ৰে'ল সেৱাৰ শুভাৰম্ভ কৰিব। তেওঁ লগতে জেছোৰ ৰোড মেট্ৰ' ষ্টেচনৰ পৰা জয়হিন্দ বিমাণ বন্দৰ ষ্টেচনলৈ মেট্ৰ' ৰে'লৰে যাত্ৰা কৰিব। ইয়াৰ উপৰি ভ্ৰমণকালত শ্ৰীমোদীয়ে কলকাতাত ৫ হাজাৰ ২০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে এটা সমাৰশতো ভাষণ দিব।

০০০০০

নিৰ্বাচন আয়োগে উপ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ বাবে পঞ্চায়তী ৰাজ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব সুশীল কুমাৰ লোহানি আৰু বিত্ত মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব ডি. আনন্দক পৰ্যবেক্ষক হিচাপে নিয়োগ কৰিছে। ৯ ছেপ্তেম্বৰত উপ ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। এয়া হ'ব উপ ৰাষ্ট্ৰপতিৰ সপ্তদশ নিৰ্বাচন। স্বাস্থ্যজনিত কাৰণত জগদীপ ধনখড়ে যোৱামাহত পদত্যাগ কৰাৰ বাবে উপ ৰাষ্ট্ৰপতিৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলগীয়া হৈছে। লোকসভা আৰু ৰাজ্যসভাৰ সদস্যক লৈ গঠিত নিৰ্বাচক মণ্ডলীয়ে উপ ৰাষ্ট্ৰপতি নিৰ্বাচন কৰে। এন ডি এই চি পি ৰাধাকৃষ্ণণক উপ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে থিয় কৰাইছে। বিৰোধী আই এন ডি আই মিত্ৰজোঁটে উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি. সুদৰ্শন ৰেড্ডীক প্ৰাৰ্থিত্ব দিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংসদত অলপতে গৃহীত অনলাইন গেমিং প্ৰসাৰ আৰু নিয়ন্ত্ৰণ বিধেয়কখনে ভাৰতবৰ্ষক গেমিং, উদ্ভাৱণ আৰু সৃজনশীলতাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতা প্ৰতিফলিত কৰিছে বুলি প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে কালি সামাজিক মাধ্যম যোগে কয়, যে চৰকাৰে ই-ক্ৰীড়া আৰু অনলাইন ছ'চিয়েল গেমৰ প্ৰতি উৎসাহ যোগাব। তেওঁ কয়, যে সংসদে গ্ৰহণ কৰা বিধেয়কখনে সমাজক ধনৰ বিনিময়ত অংশগ্ৰহণ কৰিব পৰা অনলাইন মানি গেমৰ বিৰূপ প্ৰভাৱৰ পৰা ৰক্ষা কৰিব।

০০০০০

ভাৰতীয় ৰে'লৰে উৎসৱৰ বতৰত ভক্ত আৰু যাত্ৰীসকলৰ বাবে আৰামদায়ক আৰু সুচল যাত্ৰা সুনিশ্চিত কৰাৰ বাবে ৩৮০ খন গণপতি বিশেষ ৰে'লগাড়ী চলাচল কৰোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ২০২৩ বৰ্ষত এনে ধৰণৰ মুঠ ৩০৫ খন ৰে'লগাড়ী চলাচল কৰোৱা হৈছিল আৰু যোৱা বছৰ এনে ৰে'লগাড়ীৰ সংখ্যা ৩৫৮লৈ বৃদ্ধি কৰা হৈছে। ৰে'ল মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে, যে মহাৰাষ্ট্ৰ আৰু কোংকন অঞ্চলত উৎসৱৰ সময়ছোৱাত যাত্ৰীৰ বৰ্ধিত চাহিদা পূৰণৰ বাবে মধ্য ৰে'লৰে সৰ্বাধিক ২৯৬ খন ৰে'লগাড়ীৰ দিহা কৰিব। পশ্চিম ৰে'লৰে ৫৬, কোংকন ৰে'লৰে ৬ আৰু দক্ষিণ-পশ্চিম ৰে'লৰে ২২ খন গণপতি বিশেষ ৰে'লগাড়ীৰ চলাচল কৰিব। গণপতি পূজা ২৭ আগষ্টৰ পৰা ৬ ছেপ্তেম্বৰলৈ উদযাপন কৰা হ'ব। উৎসৱৰ সময়ছোৱাত যাত্ৰাৰ সম্ভাব্য ভীৰলৈ চাই ১১ আগষ্টৰ পৰা গণপতি বিশেষ ৰে'লগাড়ীসমূহৰ সেৱা আৰম্ভ কৰা হৈছে।

০০০০০

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই ২৯ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসত এঘণ্টা শাৰীৰিক সুস্থতা আৰু খেলৰ নামত উৎসৰ্গা কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। হকীৰ যাদুকৰ মেজৰ ধ্যান চন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি ২৯ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপন কৰা হয়। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰ্যালয়ে এই বছৰ ফিট ইণ্ডিয়া মিছন আৰু ইণ্ড্য়ান স্পৰ্টছ ইক ছিষ্টেমে এই অভিযানৰ গুৰি ধৰিব। তেওঁলোকে ২৯ৰ পৰা ৩১ আগষ্টলৈ সমগ্ৰ দেশত তিনিদিনীয়া খেল কাৰ্যসূচীৰ আয়োজন কৰিব। ভাৰতৰ ২০৩৬ চনত অলিম্পিক আৰু পেৰা অলিম্পিক সমাৰোহৰ আয়োজনৰ দৃষ্টিংভগীৰ বিষয়ে আলোকপাত কৰি মন্ত্ৰ্যালয়ে খেল-ধেমালি আৰু শাৰীৰিক সুস্থতাৰ গতি-বিধিত ব্যাপকভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। ৩১ আগষ্টত সমগ্ৰ দেশৰ জনসাধাৰণে ফিট ইণ্ডিয়া ছানডে'জ অন চাইকেল কাৰ্যসূচীত ভাগ ল'ব। পৰিৱেশ অনুকূল অভ্যাসৰ প্ৰসাৰৰ উদ্দেশ্যে ফিট ইণ্ডিয়া এপ'ৰ জৰিয়তে শীঘ্ৰে কাৰ্বণ নিৰ্গমণ হ্ৰাস কৰাৰ বিশেষ উদ্যম আৰম্ভ কৰা হ'ব।

০০০০০

মহাৰাষ্ট্ৰৰ পালঘৰ জিলাৰ তাৰাপুৰ-বইচাৰ ঔদ্যোগিক এলেকাৰ এটা ঔষধ কোম্পানীত কালি হোৱা গেছ নিৰ্গমণৰ ঘটনাত ৪ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন দুজন  গুৰুতৰভাৱে আহত হয়। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে মুম্বাইৰ পৰা প্ৰায় ১৩০ কিলোমিটাৰ নিলগত থকা মেডলী ফাৰ্মা কোম্পানীত কালি দুপৰীয়া এই দূৰ্ঘটনা সংঘটিত হয়। দিনৰ আঢ়ৈৰ পৰা ৩ বজাৰ ভিতৰত কোম্পানীটোৰ এটা গোটত নাইট্ৰ'জেন গেছ নিৰ্গমণ হোৱাৰ ফলত তাত কৰ্মৰত কৰ্মচাৰীসকলৰ ওপৰত গুৰুতৰ  প্ৰভাৱ পৰে বুলি পালঘৰ জিলাৰ দুৰ্যোগ ব্যৱস্থাপনা কোষৰ মুৰব্বী বিবেকানন্দ কাদামে জনায়। তেওঁ কয় যে ৬ জন কৰ্মচাৰীক ততালিকে চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও ইয়াৰে ৪ জনৰ মৃত্যু হয়। দুজনৰ চিকিৎসা চলি আছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে কাইলৈ তামিলনাডু ভ্ৰমণ কৰিব। তেওঁ তিৰুনেলভেলীত বুথ সমিতিৰ দলীয় বৈঠকত অংশগ্ৰহণ কৰিব। শ্ৰীশ্বাহৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত নিৰাপত্তাজনিত কাৰণত তিৰুনেলভেলীত পুৱা ৮ বজাৰ পৰা নিশা ১০ বজালৈ ড্ৰোণ আৰু মানৱবিহীন আকাশীযানৰ উড়ণত নিষেধাজ্ঞা জাৰী কৰা হৈছে।

০০০০০

পশ্চিমবংগই বিজেপিৰ উন্নয়ন কাৰ্যসূচীৰ বাবে দলটোলৈ আশাৰে বাট চাই আছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমৰ এটা পোষ্ট যোগে কয়, যে দিনযোৱাৰ লগে লগে ৰাজ্যখনত তৃণমূল কংগ্ৰেছ চৰকাৰৰ বিৰুদ্ধে জনসাধাৰণৰ ক্ষোভ বৃদ্ধি পাইছে। প্ৰধানমন্ত্ৰীয়ে আজি কলকাতাত দলীয় কৰ্মীৰ সৈতে এখন বৈঠকত মিলিত হ'ব বুলি প্ৰকাশ কৰিছে।

০০০০০

বক্সিং ফেডাৰেচন অব্ ইণ্ডিয়াই ইয়াৰ অধ্যক্ষ পদত অজয় সিং নিৰ্বাচিত হোৱাৰ পিছত বিভিন্ন পদৰ বাবে অনুষ্ঠিত ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সামৰণি পেলাইছে। একপক্ষীয় এই ভোট যুদ্ধত শ্ৰীসিঙে বিৰোধী যশপাল প্ৰধানে লাভ কৰা ২৬টা ভোটৰ বিপৰীতে ৪০টা ভোট লাভ কৰে। এই নিৰ্বাচনত অংশগ্ৰহণ কৰা ৩৪টা ৰাজ্যিক সংস্থাৰ পৰা ৬৬টা ভোট লাভ কৰা হয়। ৰাজ্যিক সংস্থাসমূহে সচিব প্ৰধান, কোষাধ্যক্ষ আৰু উপাধ্যক্ষ নিৰ্বাচনতো অংশগ্ৰহণ কৰে। উত্তৰ প্ৰদেশৰ প্ৰমোদ কুমাৰে সচিব প্ৰধান হিচাপে আৰু কোষাধ্যক্ষ পদত পন বাস্কাৰণে বিজয় সাব্যস্ত কৰে।

০০০০০

কলকাতাৰ ছল্ট লেক যুৱ ভাৰতী ক্ৰীড়াংগনত কাইলৈ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি হ'ব।

ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবে বুধবাৰে কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ১৬ বাৰৰ চেম্পিয়ন ইষ্ট বেংগল ফুটবল ক্লাবক ২-১ গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। খেলখনৰ দ্বিতীয়াৰ্ধত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবৰ হৈ মাইকেল কৰ্টাজাৰে প্ৰথমটো গল দিয়ে যদিও তাৰ কিছু সময়ৰ পাছতে ইষ্ট বেংগলৰ আনোৱাৰ আলীয়ে সমতা স্থাপন কৰে। পাছত ডায়মণ্ড হাৰ্বাৰৰ জবিয়ে দলৰ হৈ বিজয়সূচক গ'লটো দিয়ে।

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে মঙলবাৰে শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ'লত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০

**সমাপ্ত**